# 2019

## ASSAMESE

## ( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* শব্দত) : ১×১০=১০

(ক) অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কাক অভিহিত কৰা হয়?

(খ) 'জন্মযাত্ৰা' নাটকখনৰ নাট্যকাৰ কোন?

(গ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা?

(ঙ) গণিতশাস্ত্ৰৰ প্ৰসিদ্ধ পুথি 'লীলাৱতী' কোনে অসমীয়ালৈ অনুবাদ কৰিছিল?

(চ) প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই' কিমান চনত প্ৰকাশ হৈছিল?

(ছ) *A few Remarks of Assamese Language* কাৰ ৰচনা?

(জ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া ভাষাৰ বিখ্যাত অভিধানখনৰ নাম কি?

(ঝ) ন.ল.ফ-ৰ সম্পূৰ্ণ নাম কি?

(ঞ) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদকগৰাকী কোন আছিল?

(ট) অসমীয়া সাহিত্যত 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয়?

(ঠ) 'কদমকলি' কবিতা-পুথিখনৰ কবি কোন?

(ড) অমিত্ৰাক্ষৰ ছন্দৰ আৰ্হিত 'সীতাহৰণ কাব্য' কোনে ৰচনা কৰিছিল?

(ঢ) পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভূত নে ভ্ৰম' কোন শ্ৰেণীৰ নাটক?

(ণ) 'ব্যৰ্থতাৰ দান' গল্প-পুথিখনৰ গল্পকাৰ কোন?

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* বাক্যত) : ২×৫=১০

(ক) অসমীয়া সাহিত্যৰ যি কোনো দুখন বুৰঞ্জী পুথিৰ নাম লিখা।

(খ) ভট্টদেৱে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।





(গ) 'অৰুণোদই'-ৰ পৰৱৰ্তী দুখন অসমীয়া কাকতৰ নাম লিখা।

(ঘ) প্ৰথম অসমীয়া ৰমণ্যাসিক কবিতাটোৰ নাম কি? ইয়াৰ কবি কোন?

(ঙ) অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাবধাৰা কোন দুটা ভাষাৰ সাহিত্যৰ যোগেদি আহিছিল?

(চ) ব্যংগ সাহিত্য মানে কি?

(ছ) তলৰ গ্ৰন্থ দুখনৰ লেখকৰ নাম কি কি?

ৰাম নৱমী ; কানীয়াৰ কীৰ্তন।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) গোপাল আতাৰ সাহিত্যৰাজিৰ বিষয়ে এটি টোকা লিখা।

(খ) অসমীয়া সাহিত্যলৈ 'অৰুণোদই'ৰ অৱদানসমূহ কি কি?

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ঘ) অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' বুলি কাক কোৱা হয়? তেওঁ ৰচনা কৰা উপন্যাসকেইখনৰ নাম লিখা।

(ঙ) চমু টোকা লিখা : চৰিত তোলা প্ৰথা।

৪। উত্তৰ-শংকৰী যুগৰ সাহিত্য বুলিলে কি বুজা? এই যুগৰ সাহিত্যৰ বিভিন্ন দিশসমূহৰ বিষয়ে চমুকৈ লিখা। ১০

*নাইবা*

অসমীয়া চৰিত পুথি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। 'অৰুণোদই যুগ'ৰ যি কোনো এগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা কৰা। ১০

*নাইবা*

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৬। 'জোনাকী যুগ'ৰ কবিতাৰ বিষয়ে এটি প্ৰবন্ধ লিখা। ১০

*নাইবা*

অসমীয়া নাট্য সাহিত্যলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদানৰ বিষয়ে বহলাই লিখা।

৭। অসমীয়া আধুনিক গল্প সাহিত্যলৈ 'আৱাহন' আলোচনীৰ অৱদানৰ বিভিন্ন দিশ ফঁহিয়াই এটি আলচ যুগুত কৰা। ১০

*নাইবা*

চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) উত্তৰ-শংকৰী যুগৰ ব্যৱহাৰিক সাহিত্য

(খ) হেমচন্দ্ৰ বৰুৱাৰ অৱদান

(গ) অসমীয়া ৰোমাণ্টিক কবিতা

★★★